ক্লাছসমূহক 'মাচুল আদায়ৰ ভেকোভাওনা' বুলি উল্লেখ কৰিছে। প্ৰসংগক্ৰমে এটা কথা উল্লেখ কৰিবই লাগিব। আমাৰ ছোৱালীও Hemalata Handique Memorial Institute(Jorhat)- নামৰ এখন প্ৰাইভেট স্কুলৰ 2nd standard'ৰ ছাত্ৰী। বিদ্যালয় খনৰ অনলাইন ক্লাছসমূহৰ ব্যৱস্থাপনা, পৰিচালনা, আৰু কাৰ্যকাৰিতা দেখি শিক্ষক হিচাপে নিজেই যথেষ্ট আপ্লুত হৈছো। নিজে অভিভাৱক হিচাপে আৰু এগৰাকী শিক্ষক হিচাপে এটা কথা উপলব্ধি কৰিছো যে তেওঁলোকৰ অনলাইন ক্লাছসমূহ ১০০ শতাংশ সফল হৈছে। অৱশ্যে বিদ্যালয় খনৰ বাকী ক্লাছসমূহৰ বিষয়ে মই জ্ঞাত নহয়। এতিয়া কথা হ'ল... এই উদাহৰণটো মই কিয় উল্লেখ কৰিলো? এইবাবেই কাৰণ এনে সুন্দৰকৈ অনলাইন ক্লাছসমূহ পৰিচালনা কৰা বিদ্যালয়খনে সমালোচনাৰ সন্মুখীন হোৱাতকৈ দুষাৰ উৎসাহমুলক ধনাত্মক কথা শুনিবলৈ পালে তেওঁলোকৰ উৎসাহ কিছু বাঢ়িব। ...

...... এনে সুচাৰুভাৱে পৰিচালিত অনলাইন ক্লাছসমূহ দেখি এজন শিক্ষক হিচাপে ব্যক্তিগত ভাৱে কিছু হতাশ হৈছো। হয়তো মোৰ দৰে অনুভৱ আন বহুতৰো হৈছে। এই হতাশাৰ মুল কাৰণ হল.. আমি চৰকাৰী স্কুলসমূহৰ শিক্ষক সকলে লোৱা প্ৰচেষ্টা সমূহৰ ১০০ শতাংশই আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰ পাবগৈ পৰা নাই। অনলাইন শিক্ষাই আমাৰ চৰকাৰী বিদ্যালয়ৰ সকলোকে সাঙুৰি ল'বলৈ আৰু বহু সময় লাগিব হয়তো সাঙুৰি ল'ব নোৱাৰিবগৈও পাৰে। তথাপি আমি আশাবাদী....গতিকে আপোনাসৱেও নিজৰ দায়িত্ব পালন কৰক... সৃষ্টিমুলক সমালোচনা কৰক.... মিছা সমালোচনাই কেতিয়াও কৰ্ম-সংস্কৃতি গঢ় দিব নোৱাৰে। আমাৰ অসমত আটাইতকৈ বেছি কৰ্ম-সংস্কৃতিৰে অভাৱ।

অসমীয়া প্ৰতিদিন